# Visit of Minister of State for External Affairs Shri V. Muraleedharan to the Republic of The Gambia and the Republic of Senegal (1-5 November 2021)

October 27, 2021

---

# বিদেশ বিষয়ক কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী ভি মূৰলীধৰণৰ গাম্বিয়া গণৰাজ্য আৰু চেনেগাল গণৰাজ্য ভ্ৰমণ (1-5 নৱেম্বৰ 2021)

অক্টোবৰ 27, 2021

1. বিদেশ বিষয়ক আৰু সংসদ বিষয়ক কেন্দ্ৰীয় মন্ত্ৰী (এমঅ'এছ), শ্ৰী ভি মূৰলীধৰণে গাম্বিয়া গণৰাজ্য আৰু চেনেগাল গণৰাজ্যলৈ 1-5 নৱেম্বৰ 2021 তাৰিখৰ পৰা চৰকাৰী ভ্ৰমণত থাকিব। এয়া তেওঁৰ প্ৰথম ভ্ৰমণ দুয়োখন দেশলৈ।

2. তেওঁৰ 1-2 নৱেম্বৰ 2021 তাৰিখৰ গাম্বিয়া ভ্ৰমণত, কেন্দ্ৰীয় মন্ত্ৰীজনে বিদেশ বিষয়ক, আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু বিদেশৰ গাম্বিয়ানৰ মন্ত্ৰী ডঃ মামাদাও টানগাৰাৰ সৈতে এক দ্বিপক্ষীয় বৈঠক অনুষ্ঠিত কৰিব আৰু লগতে গাম্বিয়া গণৰাজ্যৰ ৰাষ্ট্ৰপতি মাননীয় মিঃ আদামা বেৰ'ক সাক্ষাৎ কৰিব৷ কিছুমান চুক্তি/বুজাবুজিৰ স্মাৰকব বুলি 'পত্ৰ এই ভ্ৰমণকালত স্বাক্ষৰ হ- আশা কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে গাম্বিয়াৰ ভাৰতীয় সম্প্ৰদায়ৰ সৈতে মিথষ্ক্ৰিয়া কৰিব।

3. 4-5 নৱেম্বৰ 2021 তাৰিখৰ তেওঁৰ চেনেগাল ভ্ৰমণত, কেন্দ্ৰীয় মন্ত্ৰীজনে তৃতীয় ভাৰত-চেনেগাল যুটীয়া পৰিষদ বৈঠকৰ (জেচিএম) সহ-সভাপতিত্ব কৰিব, বিদেশ বিষয়ক আৰু বিদেশৰ চেনেগালিজ মন্ত্ৰী মিছেছ আইষ্ছাটা ট'ল চালৰ সৈতে। কেন্দ্ৰীয় মন্ত্ৰীজনে চেনেগাল গণৰাজ্যৰ ৰাষ্ট্ৰপতি মাননীয় মিঃ মেকি চালৰ সৈতে সাক্ষাৎ কৰিব। এই ভ্ৰমণত, কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে সামৰিক বাহিনীৰ মন্ত্ৰী মিঃ চিদিকি কাবা আৰু আন বিশিষ্ঠ ব্যক্তিসকলক লগ কৰিব। কিছুমান চুক্তি/বুজাবুজিৰ স্মাৰক-পত্ৰ এই ভ্ৰমণকালত স্বাক্ষৰ হ'ব বুলি আশা কৰা হৈছে। তেওঁ ডাকাৰত ভাৰতীয় সম্প্ৰদায়ক সম্বোধন কৰিব।

4. ভাৰতে গাম্বিয়া আৰু চেনেগালৰ সৈতে উমাল, বন্ধুত্বৰ আৰু সন্মানৰ সম্পৰ্ক উপভোগ কৰে। বহু বছৰ ধৰি, ভাৰত আগৰণুৱা হৈ আছে গাম্বিয়া আৰু চেনেগালৰ যুৱচামৰ ক্ষমতা নিৰ্মাণত। কেন্দ্ৰীয় মন্ত্ৰীজনৰ এই ভ্ৰমণে দুয়োখন দেশৰ সৈতে আমাৰ দ্বিপক্ষীয় সম্পৰ্কৰ গতি বহন কৰাত সহায় কৰিব।

**নতুন দিল্লী**
**অক্টোবৰ 27, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.